# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-DEC-2025
**Time :** 1715 HRS

## ***Assamese Evening Bulletin***

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বজালীত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন।

২। বাক্সা আৰু বৰপেটাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

৩। **অপাৰেচন প্ৰতিঘাত** অভিযানত ১১টাকৈ বাংলাদেশী মৌলবাদী গ্ৰেপ্তাৰ কৰা বুলি গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তৰ প্ৰকাশ। **আৰু**

৪। অসম গ্ৰন্থমেলাৰ সপ্তম দিনাও গ্ৰন্থপ্ৰেমীৰ ভিৰ।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বজালীত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰে। প্ৰায় ৫৩ কোটি টকা ব্যয় সাপেক্ষে বিশ্ববিদ্যালয়খনৰ এই নতুন চৌহদত প্ৰশাসনিক ভৱন, আধুনিক প্ৰযুক্তি-সম্পন্ন পৰীক্ষাগাৰসহ তিনিটা শৈক্ষিক ভৱন, কেফেটেৰিয়া আৰু উপাচাৰ্যৰ লগতে অন্যান্য শৈক্ষিক আৰু অনাশৈক্ষিক বিষয়ববীয়াৰ বাবে আৱাসিক ভৱনৰ নিৰ্মাণ কৰা হৈছে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু সাংসদ ফণীভূষণ চৌধুৰী উপস্থিত থাকে।

**বাইট (চি এম)**

১৯৫৫ চনৰ ১৬ আগষ্টত স্থাপিত পাঠশালাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান বজালী মহাবিদ্যালয়ক ৰাজ্য চৰকাৰে ভট্টদেৱ বিশ্ববিদ্যালয় বিধেয়ক ২০১৭ৰ অধীনত বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ বাবে আইন প্ৰণয়ন কৰে। বিশ্ববিদ্যালয়খন বজালীৰ প্ৰবাদ পুৰুষ আৰু অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱ নামেৰে পৰিচিত বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ নামত উৎসৰ্গা কৰা হয়।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সাৰ গাতি আৰু বৰপেটাৰ ভৱানীপুৰত আয়োজিত দুটাকৈ অনুষ্ঠানত ভাগ লৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বাক্সা জিলাৰ গাতিত মানাহ বিধানসভা সমষ্টিৰ ৩০ হাজাৰ ৭৩৭ গৰাকী মহিলাক আনুষ্ঠানিকভাৱে ১০ হাজাৰ টকাৰ চেক প্ৰদান কৰে। অনুষ্ঠানৰ অন্তত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে ২০২৫ বৰ্ষত বৃন্দাবনী বস্ত্ৰ অসমলৈ ঘূৰাই আনিবলৈ কৰা ঐতিহাসিক চুক্তিখন এই বৰ্ষটোৰ এটা ইতিবাচক খবৰ। একেখন আঁচনিৰ অধীনত মুখ্যমন্ত্ৰীয়ে বৰপেটা জিলাৰ ভৱানীপুৰ সৰভোগ সমষ্টিৰ মহিলা আত্মসহায়ক গোটৰ ২৫ হাজাৰ ১৫৭ গৰাকী সদস্যাৰ মাজত আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰে। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসেও অংশগ্ৰহণ কৰে।

ooooo

গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই এখন সংবাদমেল সম্বোধন কৰি ৰাজ্যত গোপনে কাম কৰি যোৱা বহিঃৰাষ্ট্ৰৰ মৌলবাদী শক্তিক **অপাৰেচন প্ৰতিঘাত**ৰ জৰিয়তে উৎখাত কৰা বুলি প্ৰকাশ কৰিছে। কালি মুকলি কৰা মহানগৰ আয়ুক্তৰ নতুন কাৰ্যালয়ত সম্বোধন কৰা প্ৰথমখন সংবাদমেলত আৰক্ষী আয়ুক্তগৰাকীয়ে কয়, যে দেশৰ আন দুই ৰাজ্যৰ লগতে অসমতো বাংলাদেশী মৌলবাদীৰ বিৰুদ্ধে অভিযান চলিছে। **অপাৰেচন প্ৰতিঘাত**

নামেৰে চলা আৰক্ষীৰ এই অভিযানত স্পেচিয়েল টাস্ক ফৰ্চে ১১টাকৈ বাংলাদেশী মৌলবাদী গ্ৰেপ্তাৰ কৰে। ৰাজ্যৰ দৰং, চিৰাং, বৰপেটা আৰু বাক্সা জিলাত **অপাৰেচন প্ৰতিঘাত** অভিযান চলোৱা হৈছিল। অসমত মৌলবাদী কাৰ্যকলাপ বিয়পোৱাৰ কৌশল ৰচা তামিম ইছলাম নামৰ মৌলবাদীটোকো এছ টি এফে গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে এছ টি এফে অসমত বাহৰ পাতি মৌলবাদ বিয়পোৱাৰ চেষ্টা কৰা জামাত-উল-মুজাহিদ্দিনৰ দহটাকৈ সদস্যক গ্ৰেপ্তাৰ কৰে। এনে মৌলবাদীৰ বিৰুদ্ধে এছ টি এফে ত্ৰিপুৰা আৰু পশ্চিমবংগতো অভিযান চলোৱা হৈছিল। গ্ৰেপ্তাৰ হোৱা মৌলবাদী সদস্যকেইজনৰ পৰা বহু আপত্তিজনক সামগ্ৰী জব্দ কৰা বুলিও আৰক্ষী আয়ুক্তগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। ধৃত জামাত-উল-মুজাহিদ্দিন বাংলাদেশৰ সদস্যকেইজনে মূলত ডিজিটেল জেহাদেৰে ৰাজ্যৰ যুৱ প্ৰজন্মক লক্ষ্য কৰি লৈছিল। ডিজিটেল জেহাদেৰে অসমত ধন সংগ্ৰহ কৰি বাংলাদেশলৈ প্ৰেৰণ কৰিছিল। আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ইমাম মেহমুদ্দাৰ কাফিলা চমুকৈ আই এম কে, আনছাৰুল্লাহ বাংলা টীম চমুকৈ এ বি টি, অল কায়দা ইণ্ডিয়ান ছাবকণ্টিনেণ্ট চমুকৈ এ কিউ আই এছ আদি মৌলবাদী সংগঠনে অসম তথা ভাৰতক অশান্ত কৰাৰ লক্ষ্যৰে কাম কৰিছিল।

**বাইট (পাৰ্থ সাৰথি মহন্ত)**

০০০০০

বিগত তিনি-চাৰিদিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰো শীতৰ কৱলত পৰিছে। আজি গোটেই দিনটো ঘন কুঁৱলীয়ে মহানগৰৰ চৌপাশ আৱৰি ৰখাৰ ফলত দৃশ্যমানতা হ্ৰাস পায়। বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই জনোৱা মতে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ সৰ্বনিম্ন তাপমাত্ৰাৰ বিশেষ সাল-সলনি ঘটা নাই যদিও সৰ্বোচ্চ তাপমাত্ৰা দুদিনৰ ভিতৰত কমেও ৬ ডিগ্ৰী হ্ৰাস পাইছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শীতৰ প্ৰকোপ অব্যাহত থাকিলে বিদ্যালয়সমূহ বন্ধ ঘোষণাৰ কথা বিবেচনা কৰা হ'ব বুলি প্ৰকাশ কৰিছে। জিলা আয়ুক্তসকলে এই সংক্ৰান্তত সিদ্ধান্ত ল'ব পাৰিব বুলিও তেওঁ প্ৰকাশ কৰে।

আজিও গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ১৮ ডিগ্ৰী ছেলচিয়াছৰ আশে-পাশে থাকে আৰু সৰ্বনিম্ন তাপমাত্ৰা প্ৰায় ১৫ ডিগ্ৰী ছেলছিয়াছলৈ হ্ৰাস পায়। ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ তাপমাত্ৰা ধুবুৰীত সৰ্বাধিক হ্ৰাস পাইছে। কালি জিলাখনত ১৬ দশমিক ৯ ডিগ্ৰী ছেলছিয়াচ সৰ্বোচ্চ তাপমাত্ৰা ৰেকৰ্ড কৰা হয়।

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাৰ্তিক বিমান বন্দৰত কালি কেইবাখনো বিমানৰ উৰণ আৰু অৱতৰণ কেইবা ঘণ্টাও বিলম্ব হয়। শীত প্ৰবাহ আৰু ঘন কুঁৱলীৰ বাবে বিগত ২৪ ঘণ্টাত দেশৰ বিমান পৰিবহণ সংস্থাসমূহে কমেও ১২৮ খন ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰে। ভালেসংখ্যক বিমান বন্দৰত য়েল্ল' এলাৰ্ট সতৰ্কীকৰণ জাৰি কৰা হৈছে। তদুপৰি ৰাজধানী চহৰ দিল্লীৰ পৰা ভিন্ন প্ৰান্তলৈ উৰা মাৰিবলগীয়া ২০০ খন বিমানৰ উৰণৰ সময়সূচী পিছুৱাই দিয়া হয়। পৰৱৰ্তী কেইটামান দিনতো অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত কুঁৱলীৰ আচ্ছাদন একেদৰে থাকিব বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। অসমত অহা ২ জানুৱাৰীলৈ আকাশ ঘন কুঁৱলীয়ে ঢাকি ৰাখিব বুলি কোৱা হৈছে। মেঘালয়, মণিপুৰ, মিজোৰাম আৰু নাগালেণ্ডতো ২ জানুৱাৰী পৰ্যন্ত ঘন কুঁৱলী থাকিব বুলি কোৱা হৈছে।

০০০০০

অৰণ্য সুৰক্ষা সমিতি, অসমে অৰণ্য মানৱ ৰূপে খ্যাত যাদৱ পায়েঙৰ মোলাই কাঠনি দুষ্কৃতিকাৰীয়ে জ্বলাই দিয়া ঘটনাৰ তীব্ৰ গৰিহণা দিছে। এই সন্দৰ্ভত সমিতিয়ে চৰজমিন তদন্তৰ দাবী উত্থাপন কৰিছে। এটা প্ৰেছ বিজ্ঞপ্তিত সমিতিৰ সচিব প্ৰধান ড০ হৰিচৰণ দাসে কয় যে অগ্নিকাণ্ড কোনে কিয় সংঘটিত কৰিলে তাক জানিবৰ বাবে তদন্তৰ প্ৰয়োজন আছে। অৰণ্যখন সুৰক্ষা দিবলৈ অসম চৰকাৰক দাবী জনোৱাৰ লগতে ক্ষতিপূৰণ দিবলৈও সমিতিয়ে আহ্বান জনাইছে। অৰণ্য সুৰক্ষা সমিতি, অসমে মোলাই কাঠনিৰ সুৰক্ষা কৰ্মীসকলৰো নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী কৰিছে।

০০০০০

দৰং জিলা প্ৰশাসনৰ উদ্যোগত মঙলদৈ অসামৰিক চিকিৎসালয়ত আজি চিকিৎসা কাৰ্যত প্ৰয়োজনীয় সা-সৰঞ্জাম আৰু কাৰ্যালয় সামগ্ৰী প্ৰদান কৰা হয়। এই উপলক্ষে জিলা চিকিৎসালয়খনৰ চৌহদত অনুষ্ঠিত কাৰ্যসূচীত মঙলদৈৰ বিধায়ক বসন্ত দাস আৰু জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে চিকিৎসালয়ৰ অধীক্ষক ডাঃ দুৰ্গেশ্বৰ শৰ্মা আৰু অন্যান্য চিকিৎসক, কৰ্মচাৰী আদিৰ উপস্থিতিত সামগ্ৰীসমূহ প্ৰদান কৰে।

০০০০০

সমাপ্ত